# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-04-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

১। তিনিজন অধিবক্তাৰ বিৰুদ্ধে ৰাজ্য চৰকাৰ মহাধিবক্তাই তৰা ফৌজদাৰী মানহানী গোচৰৰ ৰায় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সংৰক্ষণ।

২। অৰুণাচলৰ ইটানগৰত বিত্ত আয়োগৰ এটা উচ্চ পৰ্যায়ৰ দলৰ ৰাজ্য চৰকাৰৰ বিভিন্ন পক্ষৰে বিত্ত ব্যৱস্থা সন্দৰ্ভত পৰ্যালোচনা।

৩। ডিমা হাছাওৰ কয়লাখনি ঘটনা সন্দৰ্ভত দেৱলাল গাৰ্লোচাৰ পত্নী কনিকা হোজাইৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ আৰক্ষীক আদালতৰ নিৰ্দেশ।

৪। প্ৰাক্তন ক্ৰিকেট তাৰকা শচীন তেণ্ডুলকাৰ আৰু তেওঁৰ পৰিয়ালৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জীপ ছাফাৰী।

**আৰু**

৫। আই পি এলৰ আজি পঞ্জাৱৰ মুল্লানপুৰত হ'বলগীয়া এখন খেলত পাঞ্জাৱ কিংছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি।

০০০০

ৰাজ্য চৰকাৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই তিনিজন অধিবক্তাৰ বিৰুদ্ধে তৰা ফৌজদাৰী মানহানী গোচৰৰ ৰায় আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে সংৰক্ষিত ৰাখিছে। দীৰ্ঘসময় ধৰি চলা শুনানীৰ অন্তত উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুই আৰু ন্যায়াধীশ উন্নী কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে এই ৰায় সংৰক্ষিত ৰাখে।

০০০০

৫ দিনীয়া ভ্ৰমণসূচীৰে অৰুণাচল প্ৰদেশলৈ অহা ষোড়শ বিত্ত আয়োগৰ এটা উচ্চ পৰ্যায়ৰ দলে ৰাজ্যখনৰ ৰাজধানী ইটানগৰত ৰাজ্য চৰকাৰ আৰু বিভিন্ন পক্ষৰ সৈতে এলানি বিস্তৃত আলোচনাত মিলিত হয়। আয়োগৰ জ্যেষ্ঠ সদস্য এনি জৰ্জ মেথিউৰ নেতৃত্বত দলটোৱে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত শ্ৰীমতী মেথিউৱে কয় যে আয়োগে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী, উপ মুখ্যমন্ত্ৰী, মুখ্য সচিব আৰু অন্য শীৰ্ষ বিষয়াসকলৰ সৈতে পুংখানুপুংখভাৱে আলোচনা কৰিছে। এই আলোচনাত ৰাজ্যখনৰ বিত্তীয় স্থিতি, চৰকাৰী বিষয়সমূহ আৰু বিভিন্ন খণ্ডত হোৱা উন্নয়নক সামৰি লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে অৰুণাচল প্ৰদেশ চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ দাবী সন্দৰ্ভত আলোকপাত কৰি এখন সৰ্বাত্মক স্মাৰক পত্ৰ আয়োগলৈ প্ৰেৰণ কৰিছিল। এই স্মাৰকপত্ৰত পঞ্চদশ বিত্ত আয়োগৰ পৰামৰ্শ অনুসৰি বৰ্তমানৰ  ৪১ শতাংশ কৰৰ পৰা ৪৭ শতাংশলৈ বৃদ্ধি কৰা সন্দৰ্ভতো প্ৰস্তাৱ দিয়া হৈছিল।

০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ তিনকিলোৰ এটা কয়লাখনিত ৯ জন শ্ৰমিকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত হাফলঙৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচাৰ পত্নী কনিকা হোজাইৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছে। যোৱা ৬ জানুৱাৰীত এন্দুৰৰ গাঁত সদৃশ তিনকিলোৰ এই কয়লাখনিটোত পানী সোমাই যোৱাৰ ফলত তাত থকা শ্ৰমিককেইজন আৱদ্ধ হৈ পৰে আৰু পাছত অভিযান চলাই ৯ জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। আদালতে নিৰ্দেশত উল্লেখ কৰা মতে, এই কয়লাখনিটো কনিকা হোজাইৰ নামত পঞ্জীকৃত হৈ আছে। ইয়াৰ আগেয়ে উমৰাংছ' থানাৰ দেৱলাল গাৰ্লোচা আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে এই  বিষয়ক লৈ এটা গোচৰ ৰুজু কৰা হৈছিল। ৰাজ্য চৰকাৰে এই ঘটনাৰ কাৰণ আৰু দায়ীসকলক চিনাক্ত কৰাৰ বাবে এটা বিশেষ তদন্তকাৰী দল গঠন কৰিছে। এই দলটোৱে বিষয়টো সন্দৰ্ভত অনুসন্ধান অব্যাহত ৰাখিছে।

০০০০

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰস্তুতি অব্যাহত আছে। জিলা প্ৰশাসনসমূহে বৈঠক অনুষ্ঠিত কৰি এই নিৰ্বাচনৰ বিভিন্ন দিশ পৰ্যালোচনা কৰিছে। ইপিনে, ৰাজনৈতিক দলসমূহে এই নিৰ্বাচনৰ বাবে তৎপৰতা আৰম্ভ কৰিছে। যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি চলাইছে। জিলা আয়ুক্ত জয় শিৱানীয়ে আজি পূব বাঘচোং উন্নয়ন খণ্ডৰ কাৰ্যালয় আৰু ৫১ নম্বৰ বাঘচোং চৰাইবাহী গাঁও পঞ্চায়ত পৰিদৰ্শন কৰি কাম-কাজৰ বুজ লয়। জিলাখনত আজি নিৰ্বাচনত নিয়োজিত পলিং বিষয়াসকলৰ প্ৰশিক্ষণ আৰু  বেলট বাকচসমূহৰ সাল সলনি প্ৰক্ৰিয়া সম্পন্ন কৰা হয়।

কামৰূপ জিলা প্ৰশাসনেও এই নিৰ্বাচনৰ যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰিছে। জিলা প্ৰশাসনে মনোনয়ন প্ৰক্ৰিয়া সুকলমে চলোৱাৰ বাবে বিভিন্ন পৰ্যায়ত জিলাখনত ৩৮ গৰাকী আৰু ৰঙিয়া সম জিলাত ৪ গৰাকী বিষয়া নিয়োগ কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই জিলাখনৰ অস্ত্ৰ-শস্ত্ৰৰ অনুজ্ঞাপত্ৰ থকা সকলো লোককে তেওঁৰ অস্ত্ৰ-শস্ত্ৰসমূহ সংশ্লিষ্ট আৰক্ষী থানাত ৭ দিনৰ ভিতৰত জমা দিবলৈ নিৰ্দেশ জাৰি কৰিছে। কোনো সংস্থা, প্ৰতিষ্ঠান, বিভাগ অথবা ব্যক্তি বিশেষে অস্ত্ৰ-শস্ত্ৰ জমা দিয়াৰ পৰা

ৰেহাই বিচাৰিলে অনুজ্ঞাপত্ৰৰ সবিশেষ তথ্যসহ ইয়াৰ কাৰণ দৰ্শাই লিখিতভাৱে জিলা দণ্ডাধীশক আবেদন জনাব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

শ্ৰীভূমি জিলাৰ পৰা পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আমাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে এইদৰে কয়।

**ৰাইট**

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া ৩ এপ্ৰিলত আৰম্ভ হৈছে আৰু ১১ এপ্ৰিলত অন্ত পৰিব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। সেইদিনাই চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ০০০

০০০০

প্ৰাক্তন ক্ৰিকেট তাৰকা শচীন তেণ্ডুলকাৰে পত্নী অঞ্জলী আৰু কন্যা ছাৰাৰ সৈতে আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে পৰিয়ালসহ কাজিৰঙালৈ অহা কিংবদন্তী খেলুৱৈগৰাকীয়ে আজি পুৱা বাগৰি বনাঞ্চলত জীপ ছাফাৰীৰ আনন্দ লয়। বাগৰি বনাঞ্চল পৰিদৰ্শন কৰি কাজিৰঙাৰ সৌন্দৰ্যত অভিভূত হোৱা বুলি তেণ্ডুলকাৰে প্ৰকাশ কৰে। জীপ ছাফাৰীৰে বন্যপ্ৰাণী আৰু বাগৰিৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰাৰ সময়ত শচীন তেণ্ডুলকাৰ আৰু তেওঁৰ পৰিয়ালক কাজিৰঙাৰ বন বিষয়া অৰুণ ভিগনেছে সংগ দিয়ে। জীপ ছাফাৰীলৈ যোৱাৰ পূৰ্বে পুৱা পৰিয়ালসহ তেণ্ডুলকাৰে অসমীয়া জলপান গ্ৰহণ কৰে। তেণ্ডুলকাৰ আৰু পৰিয়ালে আজি নিশা কাজিৰঙাত কটোৱাৰ পাছত কাইলৈ পুৱা মুম্বাইলৈ উভতি যাব। উল্লেখযোগ্য যে শচীন তেণ্ডুলকাৰক এবাৰ কাষৰ পৰা চোৱাৰ বাবে বহু অনুৰাগীয়ে ভিৰ কৰা পৰিলক্ষিত হয়। এই সন্দৰ্ভত গোলাঘাটৰ আমাৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয়-

**ভইচ (হিৰণ্য গগৈ)**

০০০০

সমগ্ৰ ৰাজ্যতে আজি পোষণ পষেক আৰম্ভ হৈছে। কামৰূপ জিলাত সমাজ কল্যাণ বিভাগৰ উদ্যোগত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আমিনগাঁৱৰ লোকনিৰ্মাণ বিভাগৰ সভাগৃহত পোষণ পষেক শুভাৰম্ভ কৰে। সভাত জিলা আয়ুক্তগৰাকীয়ে বছৰৰ প্ৰতি দিনতে জিলাখনৰ শিশুসকলক স্বাস্থ্যৰ যতন আৰু সুৰক্ষা ল'বলৈ জিলাখনৰ প্ৰতিটো বিভাগক আহ্বান জনায়। পোষক পষেকৰ কাৰ্যসূচীত জিলাখনৰ আয়ুস, স্বাস্থ্য, জনস্বাস্থ্য, শিক্ষা বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। অহা ১৫ দিনৰ ভিতৰত জিলাখনত মাতৃগৰ্ভত শিশুৰ পঞ্চামৃত আৰু নৱজাতক শিশুৰ অন্নপ্ৰাসন্ন অনুষ্ঠিত হ'ব বুলি সমাজ কল্যাণ বিভাগৰ বিষয়া ভূপেন ভট্টাচাৰ্যই অনুষ্ঠানত জানিবলৈ দিয়ে। পোষণ পষেকত জিলাখনত থকা ৩ হাজাৰ ১১৭টা অংগনৱাড়ী কেন্দ্ৰত যিকোনো শিশু, গৰ্ভৱতী আৰু প্ৰসূতিৰ লগতে কিশোৰীসকলে নিজাববীয়াকৈ নাম পঞ্জীয়ন কৰিব পাৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

দৰং জিলাতো পোষণ পষেকৰ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ সভাকক্ষত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়।

বৰপেটা জিলাতো পোষণ পষেকৰ কাৰ্যসূচীৰ আৰম্ভণি হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত সমাজ কল্যাণ বিভাগৰ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ জিলা পৰ্যায়ৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

0000

বসন্তৰ আগমনত চৌদিশ সতেজ হৈ উঠাৰ সময়তে অসমীয়াই পৰম্পৰাগত ৰীতি-নীতিৰে প্ৰাণৰ আপোন ৰঙালী বিহু পালনৰ বাবে সাজু হৈছে। উজনিৰ পৰা নামনিলৈ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বাপতিসাহোন বিহু উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে।

পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে অসমবাসীয়ে উৎসাহ-উদ্দীপনা বজাই ৰাখি বিহু পালন কৰিবলৈ সাজু হৈছে। গ্ৰামাঞ্চলত জীয়ৰী-বোৱাৰীয়ে হেঁপাহৰ বিহুৱান বৈ-কাটি উলিয়াইছে। প্ৰযুক্তিয়ে পৰিৱৰ্তন সাধন কৰাৰ সময়তো গ্ৰামাঞ্চলৰ বহু ঠাইত ঢেঁকীৰ শব্দ শুনা গৈছে। মহিলাসকলে বিহুৰ সময়ছোৱাত অতিথি আপ্যায়নৰ বাবে পিঠা-পনা, জা-জলপান যতনাই থোৱাৰ বাবে ঢেঁকীশালত ব্যস্ত হৈ পৰিছে। ইয়াৰ বিপৰীতে ঢুলীয়া-নাচনীসকলৰ বিহুৰ আখৰা প্ৰায় চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। ঠায়ে ঠায়ে বিহু ঢোলৰ চেও আৰু বিহুনামে চৌদিশ মুখৰিত কৰি তুলিছে। সমাগত ৰঙালী বিহু উপলক্ষে বিভিন্ন স্থানত কৰ্মশালা, বিপণী আদিৰ আয়োজন কৰা হৈছে।

ডিব্ৰুগড় জিলাৰ ডিব্ৰু মহাবিদ্যালয়ত আজি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ব'হাগী বিপণী শীৰ্ষক এটা কাৰ্যসূচীৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমাইয়ে মুকলি কৰা এই ব'হাগী বিপণীত ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা পিঠা-পনা, আচাৰ, গামোচা, ৰুমাল আদিকে ধৰি বিহুৰ সৈতে জড়িত সামগ্ৰীৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হয়।

তিনিচুকীয়া জিলাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত কাইলৈৰ পৰা থানা চাৰিআলিৰ ডাকবাংলা চৌহদত অসমী ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। এই ব'হাগী মেলাত ভালেসংখ্যক আত্মসহায়ক গোটৰ মহিলাই থলুৱাভাৱে উৎপাদিত তথা নিজে প্ৰস্তুত কৰা সামগ্ৰী বিক্ৰীৰ বাবে প্ৰদৰ্শন কৰিব।

0000

মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে কালি কোকৰাঝাৰৰ জিলা সমাজ কল্যাণ বিভাগৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া সূৰ্য্য বৰুৱাক আয়ৰ সৈতে সামঞ্জস্যহীন সা-সম্পত্তি ৰখাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা ঘটনা সন্দৰ্ভত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। তেওঁ কয়, যে দুৰ্নীতিত লিপ্ত থকা লোকসকলক গ্ৰেপ্তাৰ কৰি আইন অনুসাৰে শাস্তি বিহা হ'ব আৰু এই ক্ষেত্ৰত কোনো কাৰণতে আপোচ কৰা নহ'ব। শ্ৰীবড়োৱে বিষয়া কৰ্মচাৰীসকলক কোনো ধৰণৰ অসাধু কাম-কাজত লিপ্ত নহবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে কালি কোকৰাঝাৰ জিলা সমাজ কল্যান বিভাগৰ অধীনৰ সংহত শিশু উন্নয়ন বিষয়াগৰাকীক মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে আটক কৰি গুৱাহাটীলৈ লৈ আহিছিল। পাছত বিষয়াগৰাকীক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীয়ে বিষয়াগৰাকীৰ পৰা ভালেমান অনিয়মৰ তথ্য আৰু নথি পত্ৰ লাভ কৰে। ইয়াৰ আগেয়ে যোৱা ২০ জানুৱাৰীতো বিষয়াগৰাকীৰ গুৱাহাটীৰ জয়ানগৰ আৰু ভঙাগড়ত থকা বাসগৃহত অভিযান চলাই আৰক্ষীয়ে ৪৫ লাখ ৭৭ হাজাৰ টকা, বুজন পৰিমাণৰ সোণ, কেইবাখনো বিলাসী বাহন, পইণ্ট 3-2 পিষ্টল, গুলি আৰু ভালেমান বেংকৰ নথি পত্ৰ জব্দ কৰিছে।

0000

শিৱসাগৰ জিলাৰ ডিমৌ আথাবাৰী চাহ বাগিছাত উৎপাদিত চাহে আন্তৰ্জাতিক চাহৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাত উচ্চ মানৰ চাহৰ স্বীকৃতি লাভ কৰিছে। লাচ ভেগাচৰ ৱৰ্ল্ড টি এক্সপোৰ বিশ্বমানৰ চাহৰ

প্ৰতিযোগিতা গ্লোৰেল টি চেম্পিয়নশ্বিপত আথাবাৰী চাহৰ ব্ৰেণ্ড আথাবাৰী পি এফে বিশেষ শ্ৰেণীৰ স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। এই খবৰ লাভ কৰাৰ পাছতেই চাহ বাগিছাখনৰ কৰ্তৃপক্ষকে ধৰি কৰ্মচাৰীসকল উৎফুল্লিত হৈ পৰিছে। এই সন্দৰ্ভত এয়া আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলী ঃ

বাইট

উল্লেখযোগ্য যে কলকাতাৰ লক্ষ্মী গ্ৰুপৰ দ্বাৰা পৰিচালিত আথাবাৰী চাহ বাগিছাই প্ৰায় এহেজাৰ ৪০০ অস্থায়ী কৰ্মচাৰীৰ দ্বাৰা বছৰি ছয় লাখ কেজিৰো অধিক পৰিমাণৰ উৎকৃষ্ট চাহ উৎপাদন কৰি আহিছে।

০০০০

অসম আৰক্ষীৰ এক কোটি কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যৰ কৰ্কট ৰোগৰ পৰীক্ষা কৰাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জনোৱা অনুসৰি বিগত কেইসপ্তাহমানত ৰাজ্য চৰকাৰৰ উদ্যোগত ৭ হাজাৰ ৭১৩ গৰাকী কৰ্মচাৰীক সামৰি ৬৮টা স্ক্ৰীনিং শিবিৰ অনুষ্ঠিত কৰা হৈছে।

০০০০

তিনিচুকীয়া জিলাৰ হিজুগুৰিত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত এগৰাকী পিতৃ আৰু তেওঁৰ পুত্ৰ থিতাতে নিহত হয়। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এখন ডাম্পাৰে খুন্দিওৱাৰ ফলত মটৰচাইকেলত অহা পিতৃ আৰু পুত্ৰ থিতাতে নিহত হয়। দুৰ্ঘটনা সংঘটিত কৰি ডাম্পাৰ চালকে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আৰক্ষীয়ে মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

০০০০

বজালী আৰক্ষীয়ে অভিযান চলাই দুচকীয়া বাহন চুৰিকাৰ্যত জড়িত এটা আন্তঃৰাষ্ট্ৰীয় চক্ৰ উৎখাত কৰিবলৈ সমৰ্থ হয়। বজালীৰ আৰক্ষী অধীক্ষক অজাগৌৰণ বসুমতাৰীয়ে আজি এখন সংবাদ মেলযোগে কয়, যে যোৱা নিশা চক্ৰটোৰ মুঠ ছজন চোৰক কৰায়ত্ত কৰা হয়। চক্ৰটোৱে অসমকে ধৰি বিভিন্ন ৰাজ্য তথা চুবুৰীয়া দেশ বাংলাদেশত চুৰি বাহনসমূহ সৰবৰাহ কৰি আহিছে বুলিও আৰক্ষী অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়ে। অভিযানৰ সময়ত তিনিখন মটৰচাইকেল, মেঘালয়ৰ বহুকেইখন অবৈধ নম্বৰ প্লেট, বাহনৰ ছাবিকে ধৰি বহু আপত্তিজনক সামগ্ৰী আৰু নথি জব্দ কৰা হয়। জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ত্ৰিনয়ন ভূঞা, পাঠশালা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অনুপজ্যোতি পাটিৰি আৰু উপ-পৰিদৰ্শক বিষ্ণু কমল ভূঞাৰ নেতৃত্বত বজালী আৰক্ষীৰ এটা দলে বাক্সাৰ বাগানপাৰাত অভিযান চলাই চোৰ ছজনক কৰায়ত্ত কৰিবলৈ সমৰ্থ হয়।

০০০০

বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই এইবাৰ বৰপেটা বঁটা ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন সংগীত শিল্পী তৰালী শৰ্মাক প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে। বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই পহিলা ব'হাগত উদযাপন কৰিবলগীয়া ৰঙালী বিহুৰ অনুষ্ঠানত শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰিব। আজি বৰপেটাত অনুষ্ঠিত এখন সংবাদমেলত আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অবিনাশ কুমাৰে এই কথা প্ৰকাশ কৰে।

০০০০

মহানগৰীৰ চানমাৰি আৰক্ষীয়ে কেইবাটাও স্থানত অভিযান চলাই ৯ জন চোৰক গ্রেপ্তাৰ কৰিবলৈ সমৰ্থ হৈছে। গুৱাহাটীৰ মাছখোৱা আৰু পাণ্ডুত অভিযান চলাই আৰক্ষীয়ে বৃহৎ পৰিমাণ চুৰি সামগ্রীও উদ্ধাৰ কৰিছে।

০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাৰ আজি ইডেন গাৰ্ডেনত অনুষ্ঠিত খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ২৩৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত হাৰি প্ৰথমে বেটিঙৰ আমন্ত্ৰণ লাভ কৰা লক্ষ্ণৌৰ দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৩টা উইকেট হেৰুৱাই ২৩৮ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ নিকোলাছ পুৰানে ৩৬টা বলত ৮৭ ৰাণ কৰি অপৰাজিত হৈ থকাৰ লগতে মিশ্বেল মাৰ্ছে ৪৮টা বলত ৮১ ৰাণ কৰি আউট হয়। অপেনাৰ আইডেন মাৰ্কৰামে ৪৭ ৰাণৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে বাতৰি যুগুতোৱাৰ পৰলৈ ১৫ অভাৰ ৩ টা বলত ৬ টা উইকেট হেৰুৱাই ১৭৮ ৰাণ কৰি খেলি আছে।

আনহাতে আজি পঞ্জাৱৰ মুল্লানপুৰত হ'বলগীয়া আন এখন খেলত পাঞ্জাব কিংছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

ধুবুৰীৰ বিলাসীপাৰা নিবাসী লেখিকা, অভিনেত্ৰী তথা গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ প্ৰাক্তন ঘোষক গীতালী বৰুৱাৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬২ বছৰ। অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা লাভ কৰা লেখিকাগৰাকীৰ মৃত্যুত বিলাসীপাৰাত শোকৰ ছাঁ পৰে।

০০০০০০

সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগৰ আজি দিল্লীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। আদিবাসীসকলৰ অনুসূচীকৰণ, চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধি, ভূমি অধিকাৰৰ লগতে বিভিন্ন সমস্যা সন্দৰ্ভত সততে মাত মাতি অহা নাগৰ আকস্মিক মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী কেশৱ মহন্ত আৰু মন্ত্ৰী অশোক সিংহলৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে শোক প্ৰকাশ কৰে। নাগৰ মৃত্যু আদিবাসী সমাজৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০

সমাপ্ত